**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :02**-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

## HEADLINES

১। বৰ অসমৰ ভেঁটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ অপৰিসীম অৱদানক সুঁৱৰি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম দিৱসৰ আয়োজন।

২। ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিবেদন দাখিল কৰা মন্ত্ৰী গোটৰ সৈতে পৰহিলৈ জনজাতীয় সংগঠন সমূহৰ সমন্বয়ৰক্ষী সমিতিৰ বৈঠক।

৩। অসমে দেশীয় ধানৰ বজাৰত চাৰিশ কোটিৰ অংশীদাৰিত্ব লাভ কৰাৰ সম্ভাৱনা আছে বুলি অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰকাশ।

৪। নাগালেণ্ডৰ কোহিমাৰ কিছামা গাঁৱত কালিৰে পৰা অনুষ্ঠিত  হৰ্নবিল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশ।

**আৰু**

৫। মহিলাৰ এফ আই এইচ হকী জুনিয়ৰ বিশ্বকাপ প্ৰতিযোগিতাত ভাৰতীয় দলৰ নামিবিয়াৰ বিৰুদ্ধে ১৩-০ গ'লত বিজয় সাব্যস্ত কৰি অভিযান আৰম্ভ।

০০০০০০

আজি অসম দিৱস। বৰ অসমৰ ভেঁটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ বীৰত্ব, বিচক্ষণতা আৰু অৱদানক সুঁৱৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম দিৱস উপলক্ষে ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অসম দিৱসত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্বৰ্গদেউ চাওলুং চ্যুকাফাক সুঁৱৰি সামাজিক মাধ্যমত এটা বিশেষ বাৰ্তা প্ৰকাশ কৰিছে। চাওলুং চ্যুকাফালৈ সন্মান জনাই ৰাজ্য চৰকাৰে চৰাইদেউৰ চ্যুকাফা বিশ্ববিদ্যালয়ৰ কথা ঘোষণা কৰিছিল।  স্বৰ্গদেউ চ্যুকাফাই গঢ়ি তোলা বৰ অসমৰ ভেটি বাস্তৱায়িত কৰাৰ এয়া বিনম্ৰ প্ৰয়াস বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি শিৱসাগৰ জিলাৰ নাজিৰা খেলপথাৰত অসম দিৱস দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হ'ব। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী যোগেন মহন, পীযুষ হাজৰিকাৰ সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, চক্ৰধৰ

গগৈ, প্ৰদীপ হাজৰিকা আৰু সুশান্ত বৰগোহাঁই উপস্থিত থাকিব। গোলাঘাটৰ হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ বন্তিৰাণী গগৈ ফুকন নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব। অসম সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু টাই-আহোন উন্নয়ন পৰিষদৰ উদ্যোগত শিৱসাগৰ জিলা প্ৰশাসন আৰু আটাছু নাজিৰা মহকুমা সমিতিৰ উদ্যোগত এই অসম দিৱস উদযাপন কৰা হ'ব। এই সন্দৰ্ভত আমাৰ আকাশবাণী সংবাদদতা নবুল কোঁৱৰে এইদৰে কয়-

***(ভইচ ঃ নবুল কোঁৱৰ)***

০০০০০০

ৰাজ্যৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰী গোটে বিধানসভাত দাখিল কৰা প্ৰতিবেদনক লৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদী কাৰ্যসূচী অব্যাহত আছে। মৰাণ, মটক, আহোম, চুতীয়া, চাহ জনগোষ্ঠী আৰু কোচ-ৰাজবংশীসকলক জনজাতিকৰণৰ বাবে পৰামৰ্শ আগবঢ়াই প্ৰস্তুত কৰা এই প্ৰতিবেদনৰ বিৰুদ্ধে কালি বাক্সা জিলাৰ ছাপাগুৰি কলেজ শাখাৰ বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত মহাবিদ্যালয়খনৰ চৌহদৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথেৰে শিমলা বজাৰলৈ প্ৰতিবাদী সমদল উলিওৱা হয়। এই সমদলত ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। লখিমপুৰ জিলাৰ নাৰায়ণপুৰত ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰুদ্ধে কালি জোঁৰ সমদল উলিওৱা হয়। সদৌ অসম দেউৰী ছাত্ৰ সন্থাৰ লখিমপুৰ জিলা সমিতি আৰু মাধৱদেৱ বিশ্ববিদ্যালয়ৰ জনজাতি ছাত্ৰ সমাজে এই প্ৰতিবাদ সাব্যস্ত কৰে। ইপিনে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰীগোটৰ প্ৰতিবেদনখন ভালদৰে নপঢ়াকৈ একাংশই প্ৰতিবাদী কাৰ্যসূচী চলাই আছে বুলি মত প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই প্ৰতিবেদনত সকলোৰে সুবিধা হোৱাকৈ ব্যৱস্থা ৰখাৰ প্ৰস্তাৱ দিয়া হৈছে। প্ৰতিবেদনখনত কোনো জনগোষ্ঠীৰ প্ৰতি যাতে অন্যায় নহয়, তাৰ প্ৰতি লক্ষ্য ৰখা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। কোকৰাঝাৰত প্ৰতিবাদ সাব্যস্ত কৰা সকলেও প্ৰতিবেদনখন নপঢ়াৰ ফলতেই এনেধৰণৰ কাৰ্যসূচী লৈছিল বুলি তেওঁ কয়।

বাইট

উল্লেখযোগ্য যে এই প্ৰতিবেদন দাখিল কৰা মন্ত্ৰীগোটে অসমৰ জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সৈতে পৰহিলৈ আলোচনাত মিলিত হ'ব। ইপিনে, বিৰোধী দলসমূহে ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটৰ এই প্ৰতিবেদনক সমালোচনা কৰিছে। কালি অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে এখন সংবাদমেলত এই প্ৰতিবেদন সমাগত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিতভাৱে দাখিল কৰা হৈছে বুলি মত প্ৰকাশ কৰে। কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে এই প্ৰতিবেদনৰ কোনো সুফল জনগোষ্ঠীসমূহে লাভ নকৰে বুলি উল্লেখ কৰি এইদৰে কয়।

বাইট

০০০০০০

অসমে শীঘ্ৰেই দেশীয় ধানৰ বজাৰত ৪০০ কোটিৰ অংশীদাৰিত্ব লাভ কৰাৰ সম্ভাৱনা আছে বুলি অসম কৃষি বিশ্ববিদ্যালয়ে প্ৰকাশ কৰিছে। কালি লখিমপুৰ মাণ্ডলিক কৃষি গৱেষণা কেন্দ্ৰত কৃষক আৰু বিজ্ঞানীৰ আলাপ অনুষ্ঠানৰ লগতে আয়োজিত কৃষক মেলাত অংশ লোৱাৰ পাছত বিশ্ববিদ্যালয়খনৰ কৰ্তৃপক্ষই এই বিষয়ে প্ৰকাশ কৰে। সম্প্ৰতি অসমৰ ৰঙা বাওধানৰ ১ কেজি চাউলৰ মূল্য দেশীয় বজাৰত ৪০০ৰ পৰা ৫০০ টকা পৰ্যন্ত হৈছে বুলিও তেওঁলোকে

জানিবলৈ দিয়ে। এই মেলাত আমন্ত্রিত কৃষকসকলে ধানৰ প্ৰকাৰৰ কেফেটেৰিয়া অৰ্থাৎ বিভিন্ন জাতৰ ধানৰ পথাৰ প্ৰদৰ্শন কৰে। কৃষকসকলে এই মেলাত বিভিন্ন ধৰণৰ ধানৰ প্ৰকাৰৰ মাজত তুলনা, মূল্যায়ন আৰু প্ৰত্যক্ষ অভিজ্ঞতাৰ জৰিয়তে তেওঁলোকৰ বাবে উপযুক্ত জাতটো বাছনি কৰাৰ সুবিধা লাভ কৰে। কেফেটেৰিয়াসমূহ হৈছে – পথাৰ প্ৰদৰ্শনৰ এনে এটা ব্যৱস্থা য'ত উন্নত জাতৰ ধানৰ প্ৰসাৰৰ বাবে সুযোগ সৃষ্টি কৰা হয়। অসমৰ অৰ্থনীতিত প্ৰধানকৈ কৃষিৰ ওপৰত নিৰ্ভৰশীল আৰু এই কৃষি অৰ্থনীতি ধানৰ উৎপাদনৰ ওপৰতে বিশেষকৈ নিৰ্ভৰ কৰে। এই অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালক ড° সঞ্জয় কুমাৰ চেতিয়া, বিজ্ঞানী ড° ধীৰেণ চৌধুৰী আৰু বিজ্ঞান গুৰু ড° উমা তামুলী মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০

নাগালেণ্ডৰ কোহিমাৰ কিছামা গাঁৱত কালিৰে পৰা ১০ দিনীয়াকৈ ২৬ সংখ্যক হৰ্নবিল মহোৎসৱ অনুষ্ঠিত হৈছে। মহোৎসৱত ৰাজ্যখনৰ লোক কথা, শিল্প, খাদ্য সম্ভাৰ আদিৰ মাধ্যমেৰে বৰ্ণাঢ্য সংস্কৃতিক প্ৰদৰ্শন কৰা হৈছে। কিচামা গাঁৱৰ ইউনিটি প্লাজাত কালি বিয়লি চাৰি বজাত উদ্বোধনী কাৰ্যসূচী অনুষ্ঠিত হয়। নাগালেণ্ডৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই বছৰ ব্ৰিটেইন আয়াৰলেণ্ড, ফ্ৰান্স, অষ্ট্ৰিয়া, মাল্টা আৰু ছুইজাৰলেণ্ডে সহযোগী দেশ হিচাপে আৰু অৰুণাচল প্ৰদেশে সহযোগী ৰাজ্য হিচাপে যোগদান কৰিছে। হৰ্নবিল মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে উল্লেখ কৰে যে, এই মহোৎসৱে নাগাসকলৰ চহকী সংস্কৃতি আৰু বিচিত্ৰতা প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই হৰ্নবিল মহোৎসৱ নাগাসকলৰ জীৱন আৰু জীৱিকাৰ লগতে সংস্কৃতি প্ৰতিফলন আৰু আগুৱাই নিয়াৰ মাধ্যম হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰে। সন্ধিয়াৰ ভাগলৈ আয়োজিত হোৱা সাংস্কৃতিক অনুষ্ঠানে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। প্ৰায় দুই দশক পূৰ্বে পৰ্যটনৰ পদক্ষেপ হিচাপে আৰম্ভ কৰা হৰ্নবিল মহোৎসৱ বৰ্তমান বিশ্বৰ অন্যতম আকৰ্ষণীয় সাংস্কৃতিক মহোৎসৱ হিচাপে পৰিগণিত হৈছে।

০০০০০০

প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা গোৱালপাৰা জিলাৰ ঐতিহাসিক উৰপদ বিল নামনি অসমৰ অন্যমত পৰ্যটন স্থলী হিচাপে পৰিগণিত হৈছে। শীতকাল নামি অহাৰ লগে লগে উৰপদ বিলত পৰ্যটকৰ সংখ্যা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। পৰ্যটকৰ ভিৰ বৃদ্ধি হোৱাৰ বাবেই বিলখনৰ প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা আৰু জীৱকুলৰ সুৰক্ষা, স্বচ্ছতাৰ দিশলৈ লক্ষ্য ৰাখি উৰপদ বিলত সকলো ধৰণৰ প্লাষ্টিকৰ ব্যৱহাৰ বন্ধ কৰা হৈছে। গোৱালপাৰা জিলা প্ৰশাসনে নিৰ্দেশনা প্ৰকাশ কৰি কেতবোৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰি বিলখনক প্লাষ্টিক মুক্ত অঞ্চল হিচাপে ঘোষণা কৰিছে। প্ৰশাসনৰ এই নিৰ্দেশনাৰ অংশ হিচাপে জনস্বাস্থ্য কাৰিকৰী বিভাগে স্বচ্ছ ভাৰত অভিযানৰ অধীনত বিলখনৰ পাৰত চাফাই অভিযান আৰু ঠায়ে ঠায়ে ডাষ্টবিনৰ ব্যৱস্থা কৰিছে।

০০০০০০

অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী নৱ-নিৰ্বাচিত প্ৰাৰ্থীক কাইলৈ নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কাইলৈ দিনৰ ১১ বজাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি-পত্ৰসমূহ প্ৰদান কৰিব। ইয়াৰ ভিতৰত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু সমপৰ্যায়ৰ পদত ১৫৬ গৰাকী, কনিষ্টবল আৰু সমপৰ্যায়ৰ পদত ৫ হাজাৰ ৪১০ গৰাকী প্ৰাৰ্থীৰ লগতে ২৫২

গৰাকী চতুৰ্থ বৰ্গৰ পদৰ প্ৰাৰ্থী আছে। নিৰ্বাচিত প্ৰাৰ্থীসকলৰ ৫ হাজাৰ ১০গৰাকীয়ে অসম আৰক্ষী, ৪১১ গৰাকীয়ে অসম আৰক্ষী অনাতাঁৰ সংগঠন, ৩৬১গৰাকীয়ে গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা, ২১ গৰাকীয়ে অগ্নি আৰু জৰুৰীকালীন সেৱা, ১২ গৰাকীয়ে কাৰাগাৰ আৰু তিনিগৰাকীয়ে ফৰেণচিক বিজ্ঞান সঞ্চালকালয়ত নিযুক্তি লাভ কৰিছে। চাহ জনজাতি সম্প্ৰদায়ৰ বাবে সংৰক্ষিত ৩ শতাংশ পদত নিৰ্বাচিত ১২০গৰাকী প্ৰাৰ্থীক অহা ৮ ডিচেম্বৰত পৃথকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব।

উল্লেখযোগ্য যে, ৫ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ শিক্ষকক ৰাজ্য চৰকাৰে ইতিমধ্যে নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য অৱদান আৰু সৃষ্টি সম্ভাৰক বিশ্বজনীন কৰাৰ প্ৰয়াসেৰে কাইলৈৰ পৰা ওড়িশাৰ পুৰীত পুৰী মহোৎসৱ অনুষ্ঠিত হ'ব। দুদিনীয়াকৈ হ'বলগীয়া এই মহোৎসৱত অসমৰ ভালেসংখ্যক ব্যক্তিয়ে অংশ ল'ব। মধুপুৰ সত্ৰ আৰু উত্তৰ বংগৰ সত্ৰ তথা নামঘৰসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে দিয়া এটা বিবৃতি অনুসৰি কাইলৈ পুৰীৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰ প্ৰাংগণত পুৱা পাঁচ বজাত বৰপেটা সত্ৰৰ চম্পক দাসৰ জাগৰণৰ গীত পৰিৱেশনেৰে মহোৎসৱ শুভাৰম্ভ কৰা হ'ব। পুৱা ৮ বজাৰ প্ৰসংগ সংগীত-নাটক একাডেমী বঁটাপ্ৰাপক ৰাজ্যৰ বিশিষ্ট সত্ৰীয়া শিল্পী গুণীন্দ্ৰ নাথ ওজাই পৰিচালনা কৰিব। ইয়াৰ পাছতে উলিয়াবলগীয়া শোভাযাত্ৰা সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীয়ে মুকলি কৰিব। একেদৰে ঔতলা সত্ৰৰ সত্ৰাধিকাৰ বাবুল চন্দ্ৰ ডেকাই পৱিত্ৰ ভাগৱত বহন কৰিব। ভাগৱত ভ্ৰমণৰ পাছতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা যোৱা নাম দলসমূহে থিয় নাম পৰিৱেশন কৰিব। আবেলি হ'বলগীয়া মুকলি সভাত সুৰজমল চাহা মহাবিদ্যালয়ৰ অধ্যক্ষ শৰৎ কুমাৰ চাহু উপস্থিত থাকিব। মহোৎসৱৰ উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ডঃ বাবুল চন্দ্ৰ দাসে উন্মোচন কৰিব। এই অনুষ্ঠানত  পুৰীৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। সন্ধিয়া বেলগুৰি সত্ৰৰ সত্ৰাধিকাৰ মুনীন্দ্ৰ নাৰায়ণ দেৱ গোস্বামীয়ে সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব। মহোৎসৱৰ অন্তিম দিনা অৰ্থাৎ ৪ ডিচেম্বৰত কেইবাটাও কাৰ্যসূচী ৰখা হৈছে। সেইদিনা হ'বলগীয়া পালনামত গুৱাহাটীৰ সাৰংগপাণি পাঠকে অংশ ল'ব।

০০০০০০

মহিলাৰ এফ আই এইচ হকী জুনিয়ৰ বিশ্বকাপ প্ৰতিযোগিতাত ভাৰতৰ মহিলা দলটোৱে নামিবিয়াৰ বিৰুদ্ধে ১৩-০ গ'লৰ ব্যৱধানত বিজয় সাব্যস্ত কৰি নিজৰ অভিযান আৰম্ভ কৰিছে। চিলিৰ ছাণ্টিয়াগ'ত চলি থকা প্ৰতিযোগিতাৰ প্ৰথমখন খেলত বিজয়েৰে ভাৰতৰ দলটো তালিকাৰ শীৰ্ষক উপনীত হৈছে। দলৰ হৈ হিনা বানু আৰু কনিকা চিৱাছে হেট্ৰিক কৰাৰ লগতে সাক্ষী ৰানাই দুটা গ'ল কৰে। বিনিমা ধন, সাক্ষী শুক্লা, সোনম, ঈচিকা আৰু মনীষাই এটাকৈ গ'ল দিয়ে। জ্যোতি সিঙে নেতৃত্ব দিয়া ভাৰতীয় জুনিয়ৰ মহিলা দলটোক আয়াৰলেণ্ড, জাৰ্মানী আৰু নামিবিয়াৰ সৈতে পুল-চিত অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰতে পুল পৰ্যায়ৰ চূড়ান্ত খেলত কাইলৈ জাৰ্মানীৰ বিৰুদ্ধে আৰু অহা শুকুৰবাৰে আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে তামিলনাডুৰ মাডুৰাইত চলি থকা পুৰুষৰ জুনিয়ৰ বিশ্বকাপ হকীত ভাৰতে আজি লীগ পৰ্যায়ৰ চূড়ান্ত খেলত ছুইজাৰলেণ্ডৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা ৮ বজাত অনুষ্ঠিত হ'ব।

০০০০০০

NPR/RNU (02-12-2025) MRN.

ৰাজ্যৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণক লৈ ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰে ৰাইজক আঁভুৱা ভৰা বুলি বিৰোধী দলসমূহে অনা অভিযোগৰ বাতৰি এটা আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কেইবাখনো বাতৰি কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে বাতৰিটো 'সংসদৰ শীতকালীন অধিৱেশন আৰম্ভ, ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ কোনো বিধেয়ক নানে কেন্দ্ৰই' বুলি গৌৰৱ গগৈৰ মন্তব্য আৰু **অসমীয়া খবৰ** কাকতে 'ছয় জনগোষ্ঠীৰ জনজাতিকৰণ, চৰকাৰে পিন্ধাইছে টুপী, মন্ত্ৰীগোটৰ প্ৰতিবেদনক ললিপপ আখ্যা লুৰিণৰ' শিৰোনাম দিছে।

সংসদৰ শীতকালীন অধিৱেশনৰ প্ৰথমটো দিনতে এছ আই আৰ আৰু দিল্লীৰ বিস্ফোৰণক লৈ আলোচনাৰ দাবীত বিৰোধীয়ে পৰিৱেশ উত্তাল কৰা আৰু লোকসভা স্থগিত ৰাখিবলগীয়া হোৱাৰ বাতৰি এটাক **নিয়মীয়া বাৰ্তা, দি আছাম ট্ৰিবিউন**কে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক অগ্ৰদূত** কাকতে বাতৰিটোক 'লোকসভা-ৰাজ্যসভাত এছ আই আৰক লৈ তীব্ৰ হুলস্থূলীয়া পৰিস্থিতি, প্ৰথম দিনাই সংসদত অচলাৱস্থা শিৰোনাম দিছে।

অসম-মেঘালয় সীমান্তৰ বশিষ্ঠৰ পিলিংকাটাত মেঘালয়ৰ একাংশ লোকে অসমৰ ভূমি দখল কৰিবলৈ চেষ্টা কৰাৰ সময়ত দুয়োপক্ষৰ মাজত লগা সংঘৰ্ষ আৰু অসমৰ কেইবাগৰাকীও লোক আহত হোৱাৰ এটা খবৰ **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাৰ এটা মুখ্য বাতৰি ৰূপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰি **দৈনিক অসম** কাকতে সীমা বিবাদ নিষ্পত্তিক লৈ দুয়োখন ৰাজ্যৰ মাজত দীৰ্ঘদিনে আলোচনা চলি থকাৰ পাছতো এনে ঘটনা প্ৰায়ে সংঘটিত হোৱাৰ বিষয়টোক লৈ উদ্বেগ প্ৰকাশ কৰিছে।

জনতাৰ শিল্পী জুবিন গাৰ্গ অভিনীত অন্তিমখন ছবি 'ৰৈ ৰৈ বিনালে'ই এমাহত ৩৩ কোটিৰো অধিক টকা সংগ্ৰহ কৰি অভিলেখ গঢ়াৰ বাতৰি এটা **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কামৰূপ মহানগৰ জিলাকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানত এইচ আই ভি সংক্ৰমিত লোকৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পোৱাটোৱে অশনি সংকেত কঢ়িওৱা বুলি এটা বাতৰি **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয় আৰু মণিপুৰত ডাঠ কুঁৱলীয়ে আৱৰি থকাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, মিজোৰাম, ত্ৰিপুৰা আৰু নাগালেণ্ড বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত